**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 20-11-2024 **Time :** 1340 Hrs.

## *Assamese Midday Bulletin*
## *HEADLINES*

১। মহাৰাষ্ট্ৰৰ একক পৰ্যায়ৰ আৰু ঝাৰখণ্ড বিধানসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণ বৰ্তমান চলি আছে।

২। গায়েনা ভ্ৰমণৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নিশা দেশখনৰ প্ৰধানমন্ত্ৰী মহম্মদ ইৰফান আলীৰ সৈতে দ্বিপাক্ষিক আলোচনাত অংশগ্ৰহণ কৰিব।

৩। দিল্লী চৰকাৰে ৰাষ্ট্ৰীয় ৰাজধানী ক্ষেত্ৰ দিল্লীৰ ভয়াৱহ বায়ু প্ৰদূষণৰ সমস্যাৰ প্ৰতি লক্ষ্য ৰাখি ইয়াৰ ৫০ শতাংশ কৰ্মচাৰীৰ বাবে ঘৰৰ পৰা কাম কৰাৰ ব্যৱস্থা প্ৰৱৰ্তন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে।

৪। কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং আছিয়ান দেশসমূহৰ প্ৰতিৰক্ষা মন্ত্ৰীসকলৰ বৈঠক ‘এ ডি এম এম প্লাছ’ত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে তিনিদিনীয়া কাৰ্যসূচীৰে আজি লাওছ অভিমুখে ৰাওনা হৈছে।

আৰু

৫। চীনত অনুষ্ঠিত চাইনা মাষ্টাৰ্ছ, ২০২৪ বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছ্ শাখাত ভাৰতৰ পি ভি সিন্ধু আৰু মালৱিকা বানছোদে প্ৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

০০০০০০০

মহাৰাষ্ট্ৰৰ একক পৰ্যায়ৰ আৰু ঝাৰখণ্ড বিধানসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণ বৰ্তমান চলি আছে। এতিয়ালৈকে ঝাৰখণ্ডত প্ৰায় ৪৮ শতাংশ আৰু মহাৰাষ্ট্ৰত প্ৰায় ৪০ শতাংশ ভোটদান হৈছে। ইয়াৰ লগতে মহাৰাষ্ট্ৰৰ নাণ্ডেড় লোকসভা সমষ্টি, পাঞ্জাব, উত্তৰ প্ৰদেশ, কেৰালা আৰু উত্তৰাখণ্ডৰ ১৫টা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ ভোটগ্ৰহণো আৰম্ভ হৈছে। বিয়লি ৫ বজাত ভোটগ্ৰহণৰ সামৰণি পৰিব। অৱশ্যে সুৰক্ষাজনিত কাৰণত ঝাৰখণ্ডৰ নক্সাল অধ্যুষিত ৩১টা সমষ্টিত বিয়লি ৪ বজালৈকে ভোটগ্ৰহণ কৰা হ'ব।

মহাৰাষ্ট্ৰৰ ২৮৮টা বিধানসভা সমষ্টিৰ বাবে মুঠ ৪ হাজাৰ ১৩৬ গৰাকী প্ৰতিদ্বন্দ্বী নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হৈছে। ইয়াৰ ভিতৰত ২ হাজাৰ ৮৬ গৰাকী নিৰ্দলীয় প্ৰাৰ্থী আছে। বিজেপিয়ে ১৪৯টা সমষ্টিত, শিৱসেনাৰ একনাথ সিন্দে গোটে ৮১টা সমষ্টিত আৰু এন চি পিৰ অজিত পাৱাৰ গোটে ৫৯টা সমষ্টিত প্ৰাৰ্থী দিছে। আনহাতে কংগ্ৰেছে ১০১টা সমষ্টিত, উদ্ধৱ থাকৰে নেতৃত্বাধীন শিৱসেনাই ৯৫টা সমষ্টিত আৰু এন চি পিৰ শাৰদ পাৱাৰ গোটে ৮৬টা সমষ্টিত প্ৰাৰ্থী ঠিয় কৰাইছে। বহুজন সমাজ পাৰ্টিৰ ২৩৭ গৰাকী আৰু এ আই এম আই এমৰ ১৭ জন প্ৰাৰ্থীৰ ভাগ্যও আজিৰ ভোটগ্ৰহণত নিশ্চিত হ'ব।

ইপিনে, ঝাৰখণ্ড বিধানসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ত আজি ১২ খন জিলাৰ ৩৮টা সমষ্টিত ভোটগ্ৰহণ কৰা হ'ব। এই পৰ্যায়ত এক কোটি ২৩ লাখতকৈও অধিক ভোটদাতাই ৫৫ গৰাকী মহিলাকে ধৰি মুঠ ৫২৮ গৰাকী প্ৰাৰ্থীৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় কৰিব। এই পৰ্যায়ত প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা উল্লেখযোগ্য প্ৰাৰ্থীসকলৰ ভিতৰত ৰাজ্যখনৰ মুখ্যমন্ত্ৰী হেমন্ত চোৰেন, বিজেপিৰ ৰাজ্যিক সভাপতি বাবুলাল মাৰাণ্ডি, বিধানসভাৰ অধ্যক্ষ ৰবীন্দ্ৰ নাথ মাহটো,

বিধানসভাত বিৰোধী পক্ষৰ নেতা অমৰনাথ কুমাৰ বৌৰি, এ জে এছু ইউৰ সভাপতি সুদেশ কুমাৰ মাহটো, ৰাজ্যিক মন্ত্ৰী ইৰফান আনচাৰি, হাফিজুল হাচান, দীপিকা পাণ্ডে সিং আৰু কল্পনা চোৰেণ অন্যতম।

ৰাজ্যখনৰ মুখ্য নিৰ্বাচনী বিষয়া কে ৰবি কুমাৰে ভোটদাতা সকলক নিৰ্ভয়ে ভোটদান কৰিবলৈ আহ্বান জনাইছে। নিৰ্বাচন মুক্ত আৰু নিকাভাৱে সম্পূৰ্ণ কৰাৰ উদ্দেশ্যে কটকটীয়া সুৰক্ষা ব্যৱস্থা কৰা হৈছে। এই পৰ্যায়ৰ বাবে স্থাপন কৰা ১৪ হাজাৰ ২১৮টা ভোটগ্ৰহণ  কেন্দ্ৰৰ আটাইকেইটাতে কেন্দ্ৰীয় অৰ্ধসামৰিক বাহিনীৰ লোক নিয়োগ কৰা হৈছে।  আন্তঃৰাজ্যিক সীমান্তসমূহ বন্ধ কৰি দিয়া হৈছে আৰু অনুপ্ৰৱেশ তথা অসামাজিক শক্তিসমূহক নিয়ন্ত্ৰণ কৰাৰ বাবে বিহাৰ আৰু পশ্চিম বংগ সীমান্তত বিশেষ যুটীয়া অভিযান আৰম্ভ কৰা হৈছে। যিকোনো পৰিস্থিতিৰ সন্মুখীন হ'ব পৰাকৈ হেলিকপ্তাৰো সাজু কৰি ৰখা হৈছে।

০০০০০

তিনিদিনীয়া ভ্ৰমণসূচীৰে গায়েনাত উপস্থিত হোৱা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নিশা দেশখনৰ প্ৰধানমন্ত্ৰী মহম্মদ ইৰফান আলীৰ সৈতে জৰ্জ টাউনত দ্বিপাক্ষিক আলোচনাত অংশগ্ৰহণ কৰিব। দুয়োগৰাকী নেতাৰ আলোচনাৰ সামৰণিত ভাৰত আৰু গায়েনাৰ মাজত কেইবাখনো দ্বিপাক্ষিক সহযোগিতা চুক্তি স্বাক্ষৰিত হোৱাৰ সম্ভাৱনা আছে। গায়েনাত থকা কালত প্ৰধানমন্ত্ৰী মোদীয়ে দ্বিতীয় কেৰিকম - ভাৰত সন্মিলনতো অংশগ্ৰহণ কৰিব আৰু সংগঠনটোৰ সদস্য ৰাষ্ট্ৰসমূহৰ চৰকাৰ প্ৰধানসকলৰ সৈতে মিলিত হৈ ভাৰতৰ সৈতে সংগঠনটোৰ সম্পৰ্ক অধিক সুদৃঢ় কৰা সন্দৰ্ভত আলোচনা কৰিব। প্ৰধানমন্ত্ৰী মোদীয়ে জৰ্জ টাউনত ভাৰতীয় বংশোদ্ভৱ লোকসকলৰ এখন সন্মিলনতো অংশ লোৱাৰ কথা আছে।

০০০০০০০০০

দিল্লী চৰকাৰে ৰাষ্ট্ৰীয় ৰাজধানী ক্ষেত্ৰ দিল্লীৰ ভয়াৱহ বায়ু প্ৰদূষণৰ সমস্যাৰ প্ৰতি লক্ষ্য ৰাখি ইয়াৰ ৫০ শতাংশ কৰ্মচাৰীৰ বাবে  ঘৰৰ পৰা কাম কৰাৰ ব্যৱস্থা প্ৰৱৰ্তন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। এই ব্যৱস্থা কাৰ্যকৰী কৰাৰ উদ্দেশ্যে মহানগৰীৰ পৰিৱেশ মন্ত্ৰী গোপাল ৰায়ে আজি বিয়লি এখন বৈঠকৰ আহ্বান কৰিছে।

উল্লেখযোগ্য যে ৰাষ্ট্ৰীয় ৰাজধানী ক্ষেত্ৰ দিল্লীৰ বায়ুৰ গুণগত মান এতিয়াও শোচনীয় হৈ আছে। কেন্দ্ৰীয় প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদে প্ৰকাশ কৰা মতে আজি দিনৰ ১১ বজাত ৰাষ্ট্ৰীয় ৰাজধানীত বায়ুৰ গুণগত মানৰ হাৰ এ কিউ আই সূচ্যাংক ৪২৭ পোৱা গৈছে। বিভাগীয় তথ্য অনুসৰি দিল্লীৰ অশোক বিহাৰ ষ্টেচনত এ কিউ আই ৪৫৭, আনন্দ বিহাৰত ৪৫৪, জাহাংগীৰপুৰীত ৪৬০, মুন্দ্ৰিকাত  ৪৬৩, ৰোহিণীত ৪৫৭, আৰু ৰাজিৰপুৰত এ কিউ আই ৪৬০ পোৱা গৈছে। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে ৰাষ্ট্ৰীয় ৰাজধানী ক্ষেত্ৰ দিল্লীৰ বায়ুৰ মান উন্নত কৰাৰ লগতে ধোঁৱা মিহলি কুঁৱলী আঁতৰ কৰাৰ বাবে প্ৰযুক্তিৰ সহায়েৰে কৃত্ৰিম বৰষুণৰ অনুমতি প্ৰদান কৰিবলৈ দিল্লীৰ পৰিৱেশ মন্ত্ৰীগৰাকীয়ে কেন্দ্ৰীয় চৰকাৰক আহ্বান জনাইছে।

দিল্লীত বায়ুৰ মানৰ অৱনতি ঘটাৰ বাবে ইতিমধ্যে দিল্লী, গাজিয়াবাদ আৰু নয়দাৰ বিদ্যালয়সমূহত অনলাইন পাঠদান আৰম্ভ কৰা হৈছে।  দিল্লী বিশ্ববিদ্যালয়, জামিয়া মিলিয়া ইছলামিয়া আদিৰ দৰে বিশ্ববিদ্যালয়সমূহত শনিবাৰলৈকে আৰু জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ত শুকুৰবাৰলৈকে অনলাইন পাঠদান অব্যাহত থাকিব।

০০০০০০০

কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং আছিয়ান দেশসমূহৰ প্ৰতিৰক্ষা মন্ত্ৰীসকলৰ বৈঠক 'এ ডি এম এম প্লাছ'ত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে তিনিদিনীয়া কাৰ্যসূচীৰে আজি লাওছ অভিমুখে ৰাওনা হৈছে। এই বৈঠকৰ

সময়ছোৱাত তেওঁ আঞ্চলিক আৰু আন্তঃৰাষ্ট্ৰীয় নিৰাপত্তা বিষয়ক লৈ গঠিত এখন মঞ্চতো ভাষণ দিব। উল্লেখযোগ্য যে এ ডি এম এম হ'ল আছিয়ান ৰাষ্ট্ৰগোষ্ঠীৰ পাৰস্পৰিক সহযোগিতা বিষয়ৰ শীৰ্ষস্থানীয় মঞ্চ। আছিয়ান গোষ্ঠীৰ সদস্য ৰাষ্ট্ৰ – ব্ৰুনেই, কম্বোডিয়া, ইণ্ডোনেছিয়া, লাওছ, মালয়েছিয়া, ম্যানমাৰ, ফিলিপাইন্‌ছ, ছিংগাপুৰ, থাইলেণ্ড আৰু ভিয়েটনামৰ লগতে ভাৰত, আমেৰিকা যুক্তৰাষ্ট্ৰ, চীন, ৰাছিয়া, জাপান আৰু দক্ষিণ কোৰিয়াকে ধৰি আলোচনাৰ দিশৰ ৮ খন সহযোগী ৰাষ্ট্ৰক সামৰি 'এ ডি এম এম প্লাছ' মঞ্চখন গঠন কৰা হৈছে। এই দুয়োটা ৰাষ্ট্ৰগোষ্ঠীৰ অন্তৰ্ভুক্ত দেশসমূহৰ মাজত সহযোগিতা বৃদ্ধিৰ উদ্দেশ্যে 'এ ডি এম এম প্লাছ' মঞ্চৰ দেশসমূহৰ একোখন বৈঠক প্ৰত্যেক বছৰে অনুষ্ঠিত হৈ আহিছে।

উল্লেখযোগ্য যে লাওছত হ'বলগীয়া এই বৈঠকৰ অৱসৰত প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে ইয়াত অংশগ্ৰহণ কৰা অষ্ট্ৰেলিয়া, চীন, জাপান, লাওছ, মালয়েছিয়া, নিউজিলেণ্ড, ফিলিপিন্‌ছ, দক্ষিণ কোৰিয়া আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰতিৰক্ষা মন্ত্ৰীসকলৰ সৈতে দ্বিপাক্ষিক বৈঠকত অংশগ্ৰহণ কৰাৰ সম্ভাৱনা আছে। সংশ্লিষ্ট দেশসমূহৰ সৈতে প্ৰতিৰক্ষা সম্পৰ্কীয় দ্বিপাক্ষিক সহযোগিতা অধিক ত্বৰান্বিত কৰাৰ উদ্দেশ্যে এই বৈঠকসমূহৰ পৰিকল্পনা কৰা হৈছে।

ooooooooo

৫৫ সংখ্যক ভাৰত আন্তৰ্জাতিক চলচ্চিত্ৰ মহোৎসৱ আজি গোৱাৰ পানাজীত আৰম্ভ হ'ব। আজি বিয়লি পানাজী শ্যামাপ্ৰসাদ মুখাৰ্জী ষ্টেডিয়ামত জাকজমকতাপূৰ্ণ অনুষ্ঠানৰ মাজেৰে এই মহোৎসৱৰ শুভাৰম্ভ কৰা হ'ব। তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, ৰাষ্ট্ৰীয় চলচ্চিত্ৰ উন্নয়ন নিগম-এন এফ ডি চি আৰু গোৱা চৰকাৰৰ অধীনস্থ গোৱা বিনোদন চ'ছাইটিৰ উদ্যোগত আয়োজিত এই চলচ্চিত্ৰ মহোৎসৱৰ মূল শাখাত এইবাৰ মুঠ ২৭০খন ছবি প্ৰদৰ্শিত হ'ব। বিভিন্ন শিতানত এইবাৰ প্ৰায় ৪০০ ছবি প্ৰদৰ্শিত হ'ব। ইয়াৰ ভিতৰত বিশ্বৰ ৮১খন দেশক প্ৰতিনিধিত্ব কৰা ১৮০খন বিদেশী ছবি আছে। এইবাৰৰ মহোৎসৱত অষ্ট্ৰেলিয়াক মূল দেশৰূপে স্বীকৃতি দিয়া হৈছে আৰু অষ্ট্ৰেলিয়াৰ ছবি নিৰ্মাতা মাৰ্কেল গ্ৰেচিৰ ছবি দ্যা বেটাৰমেনৰ প্ৰদৰ্শনৰে এইবাৰৰ মহোৎসৱৰ শুভাৰম্ভ কৰা হ'ব। এইবাৰ অষ্ট্ৰেলিয়াৰ কিংবদন্তি ছবি নিৰ্দেশক ফিলিপ ন'য়ছক সন্মানীয় সত্যজিৎ ৰায় জীৱনজোৰা সাধনা বঁটা প্ৰদান কৰা হ'ব। চলচ্চিত্ৰ মহোৎসৱৰ মূল আকৰ্ষণ আন্তৰ্জাতিক ছবিৰ প্ৰতিযোগিতা শাখাত বিভিন্ন দেশৰ ১৫খন ছবিক অন্তৰ্ভুক্ত কৰা হৈছে। সৰ্বশ্ৰেষ্ঠ বিবেচিত হোৱা ছবিখনক গল্ডেন পিকক আৰু নগদ ৪০ লাখ টকাৰে পুৰস্কৃত কৰা হ'ব। ইণ্ডিয়ান পেনৰামা শাখাত অন্তৰ্ভুক্ত ছবিৰ ভিতৰত হিন্দী ছবি স্বতন্ত্ৰ বীৰ চাভাৰকাৰ, লাডাখী ছবি ঘৰ জেচা কুছ, আৰ্টিকুল থ্ৰি ছেভেনণ্টি, টুৱেল্‌ভ ফেইল আছে। আনহাতে, আই চি এছ পি ইউনেস্কো শাখাত অসমীয়া ছবি জুইফুল, বাংলা ছবি আমাৰ বছ আৰু হিন্দী ছবি শ্ৰীকান্ত অন্তৰ্ভুক্ত হৈছে। আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে ৫৫ সংখ্যক ভাৰত আন্তৰ্জাতিক চলচ্চিত্ৰ মহোৎসৱত প্ৰতিদিনৰ বা-বাতৰি বিস্তৃতভাৱে প্ৰচাৰ কৰাৰ ব্যৱস্থা লৈছে। মহোৎসৱৰ প্ৰতিদিনৰ অনুষ্ঠান সম্পৰ্কত বিশিষ্ট চলচ্চিত্ৰ সমালোচক নয়ন প্ৰসাদে গোৱাৰ পৰা পঠিওৱা পোনপটীয়া প্ৰতিবেদন পিছদিনা পুৱা ৯বজাৰ আঞ্চলিক বাতৰিত প্ৰচাৰ কৰা হ'ব।

ooooooo

চীনৰ শ্বেনঝেনত অনুষ্ঠিত চাইনা মাষ্টাৰ্ছ, ২০২৪ বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ ছিংগল্‌ছ শাখাত ভাৰতৰ পি ভি সিন্ধু আৰু মালৱিকা বানছোদে প্ৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। প্ৰতিযোগিতাৰ প্ৰথমটো ৰাউণ্ডত সিন্ধুৱে মালয়েছিয়াৰ বুছানন অংবামৰুংফানক ২১-১৭, ২১-১৯ ব্যৱধানত পৰাস্ত কৰে। এই জয়ৰ জৰিয়তে

দুয়োগৰাকী খেলুৱৈৰ মাজত অনুষ্ঠিত ২১ খন পোনপটীয়া খেলত মালয়েছিয়াৰ প্ৰতিদ্বন্দ্বীগৰাকীৰ বিৰুদ্ধে সিন্ধুৱে ২০ খনত জয়লাভ কৰিলে। আনগৰাকী ভাৰতীয় খেলুৱৈ মালৱিকাই ডেনমাৰ্কৰ লাইন হজমাৰ্ক জাৰ্ছফেল্টৰ বিৰুদ্ধে প্ৰথমখন খেলত পৰাজয় বৰণ কৰিও সামগ্ৰিকভাৱে ২০-২২, ২৩-২১ আৰু ২১-১৬ ব্যৱধানত তেওঁক পৰাভূত কৰে।

০০০০০০০০০

সমাপ্ত